# 2020

( Held in 2021 )

ASSAMESE

( Major )

Paper : 5.2

*Full Marks* : 42

*Time* : 2 hours

*The figures in the margin indicate full marks for the questions*

## ক—শাখা

( *নম্বৰ : ২১* )

১। এটা শব্দ বা বাক্যত উত্তৰ লিখা : ১×২=২

(ক) ত্ৰিপুৰাত মদন পূজাৰ অধিবাস ব'হাগ মাহৰ কোনটো তিথিত পালন কৰা হৈছিল ?

(খ) 'অৰুণোদই' কাকতৰ প্ৰথমগৰাকী সম্পাদক কোন ?

২। চমুকৈ উত্তৰ লিখা : ২×২=৪

(ক) তোমাৰ পাঠৰ ভিত্তিত অঙ্কীয়া নাটৰ গদ্যৰ যি কোনো দুটা প্ৰধান বিশেষত্ব উল্লেখ কৰা।

(খ) "তুমি বনে চলিবা, আত সংশয় নাহি। মই তৱ সঙ্গে জাইবো, ফলমূল যোগাইবো।" কথাষাৰ কোনে, কাক কৈছে?

৩। যি কোনো তিনিটা প্ৰশ্নৰ উত্তৰ লিখা (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ১৫০ টা শব্দৰ ভিতৰত) : ৫×৩=১৫

(ক) স্থিতপ্ৰজ্ঞ ব্যক্তিয়ে কিদৰে মোক্ষ লাভ কৰে সেই বিষয়ে চমুকৈ লিখা।

(খ) 'শ্ৰীকৃষ্ণৰ পূৰ্বৰাগ' শীৰ্ষক পাঠটিৰ আলমত শ্ৰীকৃষ্ণৰ পূৰ্বৰাগ কেনেকৈ হৈছিল, চমুকৈ লিখা।

(গ) অসমীয়া গদ্য-সাহিত্যৰ বিকাশত ৰঘুনাথ মহন্তৰ 'কথা ৰামায়ণ'ৰ গদ্যৰ স্থান সম্পৰ্কে চমুকৈ আলোচনা কৰা।

(ঘ) 'স্বৰ্গদেৱ ৰুদ্ৰসিংহ' পাঠটিৰ মাজেৰে ৰজা হিচাপে ৰুদ্ৰসিংহৰ চাৰিত্ৰিক বৈশিষ্ট্য কেনেদৰে প্ৰকাশ পাইছে, আলোচনা কৰা।

(ঙ) 'শ্ৰীযুত ব্ৰাউন চাহাবৰ পত্ৰ'ৰ আধাৰত মিছনেৰী গদ্যৰীতি সম্পৰ্কে চমু আলোচনা আগবঢ়োৱা।

## খ—শাখা

*( নম্বৰ : ২১ )*

৪। যি কোনো তিনিটা প্ৰশ্নৰ উত্তৰ লিখা (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ২৫০ টা শব্দৰ ভিতৰত) : ৭×৩=২১

(ক) তোমাৰ পাঠৰ আধাৰত ভট্টদেৱৰ গদ্যৰীতি আৰু বুৰঞ্জীৰ গদ্যৰীতিৰ মাজত কেনেধৰণৰ সাদৃশ্য-বৈসাদৃশ্য আছে, উদাহৰণসহ ব্যাখ্যা কৰা।

(খ) ‘গুৰু-সেৱা মাহাত্ম্য’ পাঠটিৰ মাধ্যমত গোপালচৰণ দ্বিজৰ আধ্যাত্মিক ভাৱনা কেনেদৰে অভিব্যক্ত হৈছে, বিচাৰ কৰা।

(গ) ‘ৰামৰ বনগমন’ পাঠত বৰ্ণিত নাৰী চৰিত্ৰকেইটিৰ চাৰিত্ৰিক বৈচিত্ৰ্যৰ তুলনামূলক বিশ্লেষণ আগবঢ়োৱা।

(ঘ) ‘শ্ৰীযুত ব্ৰাউন চাহাবৰ পত্ৰ’খনৰ যোগেদি লেখকৰ ব্যক্তিত্ব আৰু চিন্তাৰ কোনবোৰ দিশ প্ৰতিফলিত হৈছে, বৰ্ণনা কৰা।

(ঙ) ‘ত্ৰিপুৰাত মদন পূজাৰ আড়ম্বৰ আৰু মোট-খেলাৰ কৌতুক’ শীৰ্ষক পাঠটিত ত্ৰিপুৰাৰ সামাজিক জীৱনধাৰাৰ প্ৰতিচ্ছবি কেনেদৰে উদ্ভাসিত হৈছে, আলোচনা কৰা।

★★★